বাটক ভেটা দি বাটৰুৱাৰ যাত্ৰা বন্ধ কৰিব নোৱাৰে। কাৰণ বাটৰ শেষ নাই। বিখ্যাত গীতটোত আছে অন্তহীন বাটৰ কথা; যি বাটত বাধা সুদূৰ পৰাহত। অনুভৱ হয় জুবিন আৰু বনফুলৰ কবিয়ে বাটৰুৱাৰ অনুভৱৰে জীৱনক আগবঢ়াই নিবলৈ বিচাছিল। বাটৰ শেষ বিচাৰি আগুৱাই গৈছিল। কিন্তু সেই যাত্ৰা কালত নানান অভিজ্ঞতাৰে পৰিপুষ্ট হৈ ভাগৰুৱা হৈ পৰে। এয়া জগতৰ নিয়ম



# ‘বাটৰে শেষতে...’ গীতৰ জীৱন দৰ্শন আৰু বনফুলৰ কবিৰ ‘বাটৰুৱা’

**কুশল কুমাৰ দাস**

**সংগীতপ্ৰেমীৰ** মন আৰু আত্মাক আলোড়িত কৰা জুবিন গাৰ্গৰ শেহতীয়া গীত ‘বাটৰে শেষতে...’ অসমীয়া সংগীত ক্ষেত্ৰৰ এক মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। গীতে জীৱনৰ গভীৰ সত্য অন্বেষণৰ অনুভৱ ব্যক্ত কৰি অন্তৰত সৃষ্টি কৰা ভাবনাই সঞ্জীৱনী শক্তি প্ৰদান কৰে। প্ৰত্যেক মানুহে নিজৰ জীৱনত অপেক্ষাৰ পাছত দৌৰে। অপেক্ষাৰো শেষ আছে, প্ৰাপ্তি বা অপ্ৰাপ্তিয়ে জীৱনৰ শেষ প্ৰান্তৰলৈ মানুহক লৈ যায়। এনে অপেক্ষাৰ বুকুতে জীৱন তৃষ্ণা লুকাই থাকে, পৰিণতিৰ পৰা কোনো মুক্ত নহয় বা হ'ব নোৱাৰে। আচলতে বাটৰ শেষ নাথাকে, অনন্ত গতিয়ে বাটৰ লগৰী; কিন্তু বাটৰ বাটৰুৱাৰ বাট এদিন শেষ হ'বই। কাৰণ বাটৰুৱা সদায় নাথাকে, শেষ নোহোৱা বাট অন্তহীনভাৱে থাকি যায়। প্ৰতিদিনে কিমান বাটৰুৱা আহিল আৰু গুচি গ'ল ইয়াৰ হিচাপ কোনে ৰাখেহু কেৱল স্মৃতি ৰোমন্থন জীয়াই থকা বাটৰুৱাৰ হাতৰ সাৰথি। সময়ৰ টোকা বহীত মহাকালে সযতনে ধৰি ৰাখে বাটৰুৱাৰ হিচাপ। সম্পূৰ্ণ বাট বা আধাবাটৰ অনুভৱ বাটৰুৱাৰ মনৰহে দৃষ্টিভংগী, বাটৰ নহয়। বাট হেৰুওৱাজনৰো বাটৰ অন্ত নপৰে, পৰে মাথোন জীৱন। জীৱন গতিশীল আৰু সেয়ে জীৱনৰ যাত্ৰাপথত সকলো মানুহৰে নানান অভিজ্ঞতা সঞ্চয় হয়; স্বাভাৱিক এনে গতিত নানান ধৰণৰ মানুহৰ স'তে কম সময়ৰ বাবে বন্ধুত্ব গঢ়ি উঠে। যতীন্দ্ৰনাথ দুৱৰাৰ এটি উল্লেখযোগ্য কথা কবিতা ‘বাটৰুৱা'ত[১] বাট'ৰ অন্ত নপৰাৰ অনুভৱ দাঙি ধৰিছে, লগতে তেনে বাটতে লগ পোৱা সকলো যে সময়ৰ দাস, কোনো ৰৈ নাথাকে, তেনে অনুভৱৰ ৰূপান্তৰ জুবিনে সুললিত কণ্ঠদান কৰা গীতত স্পষ্ট হৈ পৰিছে। অতি অৰ্থপূৰ্ণ দাৰ্শনিক ভিত্তি থকা বাটৰ শেষ মানে জীৱনৰ অন্তিম ক্ষণ সম্মুখত, গতিকে সদায় অপেক্ষা কৰাজন (পৰমানন্দ ঈশ্বৰ)'ক আহ্বান জনাইছে লগতে লৈ যাবলৈ। গানটোৰ কথাবস্তুৱে জুবিনৰ অন্তিম সময়ৰ পৰম সত্যৰ প্ৰকাশ ঘটোৱাত এক ৰহস্যময় অনুভৱে সকলোকে ভবাই তোলে। গীতাংশত আছে-‘লৈ যোৱাহি আজি তোমাৰ বাটেৰে’[২] জীৱনৰ গতিৰে আগুৱাই গৈ ঈশ্বৰ বা পৰমশক্তিৰ বাটত বিলীন হোৱাৰ বাসনা চূড়ান্ত। আমি সকলো বাটৰুৱা, খোজ কাঢ়ি গৈ থাকো অজান মুলুকলৈ। কোনো ৰৈ থাকিব নোৱাৰে; গতিয়ে জীৱন, ইয়াৰ গত্যন্তৰ নাই। দুৱৰাই তেওঁৰ কথা কবিতাত নিজকে বাটৰুৱাৰ অনুভৱৰে বাটকুৰি বাই যোৱা জীৱনৰ অন্তিম ক্ষণৰ কথাকে কৈছে— নিচেই পুৱাতে এজন বাটৰুৱাই যাত্ৰা পথত ভিন্ন বয়সৰ লগতে ভিন্ন কৰ্মৰ মানুহক সাময়িকভাৱে লগ পাইছিল যদিও স্থায়ীভাৱে কাৰো লগতে কোনোৱে ৰৈ নাথাকে, মাত্ৰ স্মৃতিকাতৰ এক জীৱনৰ অভিজ্ঞতাহে সঞ্চিত হয়। সাধাৰণতে সকলো মানুহে পথিকৰ দৰে আগবাঢ়ি গৈ থাকে। কবিয়ে ভিন্ন বয়সৰ শিশুৰ পৰা বৃদ্ধ বয়সৰ লোকক লগ পাইছে যদিও কোনোৱে কবিৰ স'তে চিৰস্থায়ী হৈ নাথাকিল। জীৱন হেৰাই যায় বা শৰীৰ নাইকিয়া হয়, কিন্তু স্মৃতি থাকি যায়। এটা দ'লৰ কাষেৰে গাঁৱৰ মাজেদি নামঘৰৰ দাঁতিয়েদি পাৰ হৈ পথাৰৰ মাজেৰে কবিয়ে যাত্ৰা আৰম্ভ কৰিলে। তেতিয়া আন্ধাৰ আঁতৰি যোৱা নাছিল। লাহে লাহে পোহৰে ভুমুকি মাৰিছিল। গছে-বিৰিখে সূৰ্যৰ পোহৰৰ জিকমিকনি পৰিবলৈ আৰম্ভ কৰিছিল। এটা সময়ত সম্পূৰ্ণ পোহৰ পৰিবলৈ ধৰে। গৈ থাকোতে জুৰি এটা পালে, পাৰতে এটি সৰু ল'ৰাই হাতত ফুল-পাত লৈ বাটৰুৱাক খেলিবলৈ মাতিলে। লগে লগে ল'ৰাটোৰ লগত প্ৰাণ ঢালি খেলি থাকোতে কোন পলকত ল'ৰাটো নাইকিয়া হ'ল। চাৰিওফালে বিচাৰি নোপোৱাত যোৱা বাটেৰে পুনৰ যাত্ৰা আৰম্ভ কৰিলে। বেলিৰ পোহৰ বাঢ়িছিল। অলপ যোৱাৰ পাছত পুনৰ দুটামান গৰখীয়া ল'ৰাক দেখা পালে। সিহঁতে ভেট ফুলৰ মালা গাঁথি থকাৰ উপৰি পথাৰৰ নৰাৰে সজোৱা পেঁপা বজাই ধেমালি কৰি আছিল। হাত চাপৰি বজাই বাটৰুৱাক মাতিছিল। আপোন পাহৰা হৈ সিহঁতৰ স'তে এজন সদস্য হৈ পৰিল। সিহঁতৰ অংগাংগী হৈ ধেমালি কৰি থাকোতে দুপৰীয়া হ'ল। হঠাৎ ল'ৰাবোৰ নাইকিয়া হ'ল। তেওঁ অকলশৰে গছৰ তলত বহি থাকিল। গৰখীয়া ল'ৰাবোৰ ক'লৈ গ'ল গমকে নাপালে। তেওঁ পুনৰ যাত্ৰা আৰম্ভ কৰিলে। অলপ দূৰ যোৱাৰ পাছতে সবল কৰ্মশ্ৰী ডেকা হালোৱা লগ পালে। কাম কৰি ঘৰলৈ ওভতাৰ সময়ত দুয়ো কথা পাতি আহি থাকোতে তেৰো হঠাৎ নাইকিয়া হ'ল। বৰ বেজাৰ মনেৰে বাটৰুৱাই পুনৰ বাট ধৰিলে। গৈ গৈ থাকোতে হাঁহি-খিকিন্দালি কাণত পৰিল। এহাল তৰুণ-তৰুণীয়ে আনন্দ মনেৰে কথা পাতি গৈছে। সিহঁতৰ স'তে তেৰো হাঁহি-ধেমালি কৰি গৈ থাকিল। দুপৰীয়া অতিক্ৰম কৰিলে; তেওঁলোকো ওচৰৰ পৰা নাইকিয়া হ'ল। অলপ দূৰ যোৱাৰ পাছত লগ পালে এটি পৰিয়াল, মজলীয়া বয়সৰ দেউতাক মাক আৰু তিনিটি ল'ৰা-ছোৱালী। তাৎপৰ্যপূৰ্ণ কথা যে সৰু ল'ৰাটি বাটৰ দাঁতিত পৰি ছটফটাই মুখৰ মাত হেৰালত ল'ৰাটোৰ ফালে চালে, কিন্তু বেছি সময় নাথাকি বাটৰুৱাৰ লগতে পুনৰ খোজ ধৰিলে। কিছু দূৰ যোৱাৰ পাছত পথৰ কেঁকুৰি এটা পাৰ হওঁতে পৰিয়ালটোৰ মাকো অচেতন হ'ল। দেউতাক আৰু ল'ৰা-ছোৱালী দুটিয়ে বেজাৰ কৰিলে যদিও তাত ৰৈ নাথাকিল। তেতিয়া আবেলি হৈছিল মাত্ৰ। এটা সময়ত তেওঁলোক চকুৰ আঁতৰ হ'ল। সম্পৰ্কত কোনো কথা জনা নগ'ল। বহু দূৰ অতিক্ৰম কৰাৰ পাছতে বাটৰুৱাৰ কাণত পৰিল মধুৰ সুৰ। দিনৰ বেলি মাৰ যোৱাত সন্ধিয়া নামি আহিল, বাটৰুৱাই পাছ ফালে উভতি চাই দেখে তেওঁ এৰি অহা বাটটো এন্ধাৰে নেদেখা কৰিছে, সম্মুখত মাত্ৰ পোহৰৰ জিলিঙণি। বাটৰুৱাই গৈ গৈ এখন নৈৰ পাৰ পালে। পাৰত আঁহত গছৰ গুৰিত বহি এজন বুঢ়া মানুহে নৈৰ সিপাৰলৈ কিবা চাই আছে। কি চাইছে বুজি নাপালে। বাটৰুৱাই ভাগৰে-জুগৰে আঁহতৰ তলত বহিল। তেওঁৰ গাত আগুৱাই যোৱাৰ শক্তি নাই; তেতিয়া আন্ধাৰ নামি আহিছিল। গোটেইখন এন্ধাৰে আবৰি ধৰাত তাতে বহি কিবা ভাবিবলৈ ধৰিলে। দূৰণিৰ পৰা ভাহি আহিল সেই আগতে শুনা সুৰটি। নিশা হোৱাত নাৱৰীয়াবোৰে নাওবোৰ চপাই আনি পাৰত খোৱাৰ আয়োজন কৰিলে। নাৱৰীয়াই দেখিলে এখন নতুন নাৱে ভগা পুৰণি নাৱক টানি আনি পাৰত উঠাই থ'লে। সেইখনৰ কাম নাই। পুৱা হ'লে পুনৰ নাওবোৰে নিজৰ কামত লাগি যাব; কিন্তু পুৰণি নাওখনিৰ কাম শেষ। কোনো কামতে নালাগিব। বাটৰুৱাই বুজিলে, ‘দিন গ'ল, ৰাতি আহিল। আকৌ ৰাতি পুৱাব— নতুন দিন আহিব। নতুন উছাহৰে নতুন পুৱাত সকলোৱে আকৌ জগতৰ কামত লাগি যাব। এইদৰে দিনৰ পাছত দিন আৰু ৰাতিৰ পাছত ৰাতি আহি জগত চলি থাকিব। একে সন্ধ্যাতেই বা একে পুৱাতেই জগত শেষ হৈ নাযায়— অৰুণোদয় জীৱনৰ এটি শুকতৰা মাথোন।’[৩]

কথা কবিতাটোত যিদৰে জীৱনৰ জটিল দাৰ্শনিক সত্য নিহিত হৈ আছে, ঠিক তেনেকৈ জুবিনৰ অন্তিম গীতত জীৱনৰ অন্তিম সুৰ বাজি উঠিছে। যি সুৰৰ কথা দুৱৰাৰ কথা কবিতাতো উল্লেখ আছে। প্ৰতিটো ঋতুৰে এক সুকীয়া আমেজ আছে, ঈশ্বৰাত্মা থকালৈকে জীৱন আনন্দময়, প্ৰকৃতি জগতৰ ঋতুবোৰ সুখদায়ক। তুমি (ঈশ্বৰাত্মা) নহ'লে জীৱন পৰে অন্ত। গীতত আছে-‘তুমি নহ'লে উকা উকা মোৰ ফাগুন’[৪] চাৰিওফালে তুমিয়ে তুমি জীৱনৰ আপোন হৈ পৰিল। নিজৰ হিয়াত নিজে আলহী হোৱাৰ সময় আহিলে মনৰ দাপোণত দেখা সপোনবোৰ ভাঙি যায়; কিন্তু সেইজন ঈশ্বৰক পালে, যিয়ে তেওঁৰ বাটেৰে সকলোকে লৈ যায়, তেওঁক পালে জীৱনৰ পৰম তৃপ্তি পোৱা যেন লাগে। ‘এটি চিনাকি নূপুৰৰ ৰুণজুন, তুমি আহিলে’[৫] এয়াই সত্য। দূৰণিৰ পৰা ভাহি অহা চিনাকি সুৰ বা নূপুৰৰ ৰুণজুন শুনা কথাটোৱে জুবিন গাৰ্গৰ কণ্ঠত অন্তিম সময়ৰ পৰম সত্যৰ আভাস দিছে; যি কথা দুৱৰাৰ কথা-কবিতা ‘বাটৰুৱা'তো বিদ্যমান। সাহিত্যৰ বুকুত ‘তুমি'ৰ মহত্ত্ব আছে; ‘তুমি’ সন্ধানত নতুবা লগ পোৱাৰ যাত্ৰাই জীৱন। এই ‘তুমি’ সদায়ে আমাৰ ওচৰে-পাঁজৰে থাকে, তুমিৰ মহত্ত্বই জীৱনক ধন্য কৰে, বোধগম্য হ'লে আপোন আপোন লাগে। গীতত আছে—‘আশে-পাশে বুকুৰে তুমি, ভেদিলা পৰিধি... আৰু হ'লা হঠাতে কি যে আপোন...’[৬] বাটৰুৱাই গন্তব্য স্থানত উপনীত হ'লে বোধহয় এনে অনুভৱে কৰে। পৰম সত্তাৰ অনুভৱ সচ্চিদানন্দ ব্ৰহ্মৰ স'তে বিজোৰা হয়। গীতৰ মাজেৰে ব্যক্ত হোৱা ‘তুমি’ তাৰেই প্ৰকাশ। তথাকথিত কায়িক জীৱনৰ সকলো ভঙা-গঢ়া সপোন আৰু বাস্তৱ পৰিঘটনাবোৰো তোমাক (পৰম সত্তা) পালে নতুন হৈ পৰে। এটা বিশেষ গতিৰে জীৱন আগবাঢ়ি এটা সময়ত ৰৈ যাব লগা হয়, কিন্তু এৰি অহা দিনৰ চিনাকি নূপুৰৰ ৰুণজুনে আমনি কৰিলেও একো লাভ নাই; ‘ৰৈ গ'লা তুমি এনেকৈ বুকুতে যেনেকৈ এটি চিনাকি নূপুৰৰ ৰুণজুন।’[৭] দুৱৰাই উল্লেখ কৰিছে—‘বাটৰুৱাই দিনটো বাট কুৰি বাই ভাগৰ লগাত আন এজোপা আঁহত গছৰ তলতে বহিলহি... দূৰ-দূৰণিৰ সেই সুৰটি যেন আৰু কাষ চাপি আহিল।’ এই অজান সুৰ, নূপুৰৰ ৰুণজুন জীৱনৰ সত্য।[৮] বাটক ভেটা দি বাটৰুৱাৰ যাত্ৰা বন্ধ কৰিব নোৱাৰে। কাৰণ বাটৰ শেষ নাই। বিখ্যাত গীতটোত আছে অন্তহীন বাটৰ কথা; যি বাটত বাধা সুদূৰ পৰাহত। অনুভৱ হয় জুবিন আৰু বনফুলৰ কবিয়ে বাটৰুৱাৰ অনুভৱৰে জীৱনক আগবঢ়াই নিবলৈ বিচাছিল। বাটৰ শেষ বিচাৰি আগুৱাই গৈছিল। কিন্তু সেই যাত্ৰা কালত নানান অভিজ্ঞতাৰে পৰিপুষ্ট হৈ ভাগৰুৱা হৈ পৰে। এয়া জগতৰ নিয়ম।

*ফোন ঃ ৯১০১১২২৬৩৮*



পাদটিকাঃ-

১। দুৱৰা যতীন্দ্ৰনাথ, কথা কবিতা, পৃ-১০০, পঞ্চম সংস্কৰণ-এপ্ৰিল, ১৯৭২, প্ৰকাশক-শ্ৰী বসন্তলাল দুৱৰা

২। ‘বাটৰে শেষতে... গীত, কণ্ঠদান জুবিন গাৰ্গ, গীতিকাৰ-বিজিত তামুলী (উত্তৰ গুৱাহাটী), জুবিন গাৰ্গৰ মৃত্যুৰ পূৰ্বে ৰচনা কৰা আৰু ৰাজধানী থিয়েটাৰৰ বাবে ৰচনা কৰিছিল।

৩। দুৱৰা যতীন্দ্ৰনাথ, কথা কবিতা, পৃ-১০০, পঞ্চম সংস্কৰণ-এপ্ৰিল, ১৯৭২, প্ৰকাশক-শ্ৰী বসন্তলাল দুৱৰা

৪। ‘বাটৰে শেষতে... গীত, কণ্ঠদান জুবিন গাৰ্গ, গীতিকাৰ-বিজিত তামুলী (উত্তৰ গুৱাহাটী), জুবিন গাৰ্গৰ মৃত্যুৰ পূৰ্বে ৰচনা কৰা আৰু ৰাজধানী থিয়েটাৰৰ বাবে ৰচনা কৰিছিল।

৫। পূৰ্বোক্ত

৬। পূৰ্বক্তো

৭। পূৰ্বক্তো

৮। Endless Road song by Time Bandita on 1985, এণ্ডলেছ ৰোড' ১৯৮০ৰ এটি অন্তৰ চুই যোৱা গীত, প্ৰেমৰ কঠিন অন্তহীন যাত্ৰা হেলাৰঙে সহ্য কৰাৰ পাছত যি সংগ্ৰামৰ মুখামুখি হ'ব লগা হয়, অৱশেষত প্ৰকৃত প্ৰেমে প্ৰাধান্য লাভ কৰি বাট দেখুৱাই গন্তব্য স্থানত উপনীত হ'বলৈ। অন্তহীন পথৰ মূল ৰহস্য হৈছে অদম্য প্ৰেম। কঠিন যাত্ৰাপথ অতিক্ৰম কৰাৰ পাছত প্ৰকৃত প্ৰেমে মুক্তি পায়।